REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-11-2026 **Time :** 1100 Hrs.

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন আৰু এন আৰ চি ৰূপায়ণৰ বিষয়ৰ ক্ষেত্ৰত বিজেপি আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দেৱগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আয়োজিত দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি কয় যে বিজেপি, অসমৰ ভৱিষ্যতক লৈ উদ্বিগ্ন আৰু চিন্তিত। ৰাজ্যৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত প্ৰতিজন সচেতন নাগৰিকে ভোটাৰ তালিকাৰ নিখুঁত পুংখানুপুংখ সংশোধন আৰু সম্পূৰ্ণ শুদ্ধ, বিদেশীমুক্ত এন আৰ চি বিচাৰে।

বাইট (চি এম)

উল্লেখযোগ্য যে সদৌ অসম ছাত্ৰ সন্থাই বিষয়টো লৈ দাখিল কৰা আবেদন উচ্চতম ন্যায়ালয়ে শুনানিৰ বাবে গ্ৰহণ কৰিছে। ছাত্ৰ সন্থাই খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত ১৯৭১ চনৰ বৰ্ষভিত্তিৰ আধাৰত এখন শুদ্ধ এন আৰ চি আৰু অবৈধ বিদেশীমুক্ত ভোটাৰ তালিকাৰ পোষকতা কৰিছে।

০০০০০০০০

অসম আৰক্ষীক অত্যাধুনিক কৰি তোলাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দেৱগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত স্মাৰ্ট ৰেচপন্ছ ইউনিটৰ শুভাৰম্ভ কৰে। আৰক্ষীৰ বিশেষ অভিযানৰ সামৰ্থ্য বৃদ্ধিৰ বাবে দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এনেধৰণৰ গোট গঠন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আৰবান ইণ্টাৰভেনচন ইউনিট আৰু জাংগল ইণ্টাৰভেনচন ইউনিট নামৰ এই গোট দুটাত মুঠ ৬৫ গৰাকী কামাণ্ড' আছে। ইয়াৰে ৫২ গৰাকী পুৰুষ আৰু ১৩ গৰাকী মহিলা। এই গোট দুটা স্বেচ্ছামূলক অংশগ্ৰহণৰ দ্বাৰা গঠন কৰা হৈছে। কালি মহাবীৰ লাচিত বৰফুকনৰ জয়ন্তীত মুখ্যমন্ত্ৰীয়ে লাচিত বৰফুকন একাডেমিত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি এই ব্যৱস্থাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশ লৈ তেওঁ অহা ৫ বছৰত অসম আৰক্ষীৰ ২০ হাজাৰ নতুন নিযুক্তি দিয়া হ'ব বুলি ঘোষণা কৰে। ড° শৰ্মাই কয় যে পহিলা ফেব্ৰুৱাৰীত অসম আৰক্ষীত ৫ হাজাৰ ৭৭৪টা পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অসম আৰক্ষীৰ নতুন পদৰ বিজ্ঞাপন শীঘ্ৰে প্ৰকাশ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীত দুটা নতুন বেটেলিয়ন গঠন হ'ব বুলিও জানিবলৈ দিয়ে।

বাইট

০০০০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ পৰা নিখোঁজ হোৱা বি এছ এফ জোৱান কে ভেনুৰ মৃতদেহ আজি পুৱা শ্ৰীভূমি জিলাৰ কুশিয়াৰা নৈৰ ষ্টিমাৰ ঘাটৰ পৰা উদ্ধাৰ কৰা হয়। যোৱা দেওবাৰে নিশা বাংলাদেশী ম'হ চোৰাং

সৰবৰাহকাৰীক আটক কৰাৰ বাবে কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ্তী হৰিনগৰত চলোৱা অভিযানৰ সময়ত এই জোৱানজন সন্ধানহীন হৈছিল। জোৱানজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়ালৈ জানিব পৰা হোৱা নাই।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি প্ৰতিৰক্ষা বিভাগ আৰু ভাৰতীয় বায়ুসেনা বাহিনীৰ সহযোগত আজি সন্ধিয়া চাৰে ছয় বজাৰ পৰা চাৰে সাত বজালৈ যোৰহাটত জৰুৰীকালীন প্ৰস্তুতিমূলক আখৰা অনুশীলন অনুষ্ঠিত হ'ব। জৰুৰীকালীন পৰিস্থিতিত বিভিন্ন চৰকাৰী বিভাগৰ কাৰ্যদক্ষতা পৰীক্ষা কৰা আৰু নাগৰিকসকলক সজাগ কৰাই হৈছে এই অনুশীলনৰ মূল উদ্দেশ্যে।

০০০০০

নতুন প্ৰজন্মৰ সংগীত প্ৰতিভাক বিকশাই তোলা আৰু ভাৰতৰ চহকী তথা বৈচিত্ৰময় সাংগীতিক ঐতিহ্যক আগুৰাই নিয়াৰ বাবে আকাশবাণীয়ে AIR RISING STARS শীৰ্ষক যুৱ সংগীত সম্মিলনৰ উদ্বোধনী সংস্কৰণ আৰম্ভ কৰিছে। ৩০ বছৰ অনুৰ্ধ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত বিশেষ সংগীতানুষ্ঠানৰ ৰাষ্ট্ৰজোৰা শৃংখলাৰ অংশ হিচাপে আকাশবাণী গুৱাহাটীয়ে আজি কটন বিশ্ববিদ্যালয়ত এই সম্মিলনৰ আয়োজন কৰিছে। বিশ্ববিদ্যালয়খনৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আজি সন্ধিয়া ৬ বজাত আৰম্ভ হ'বলগীয়া অনুষ্ঠানটো ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট সংগীতশিল্পী তৰালী শৰ্মাই উদ্বোধন কৰিব। অনুষ্ঠানত মহাশ্বেতা গোস্বামীয়ে বৰগীত, জুৰমলয়া দাসে লোকগীত, ৰাহুল দাসে গজল, কৌশিক দাস আৰু প্ৰতিষ্ঠা চিত্ৰৎপলে আধুনিক গীত পৰিৱেশন কৰিব। আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু অনুষ্ঠান শাখাৰ মুৰববী কৰ্ডেলিন থ্যাংখ্যিউৱে এই অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি প্ৰতিৰক্ষা বিভাগ আৰু ভাৰতীয় বায়ুসেনা বাহিনীৰ সহযোগত আজি সন্ধিয়া চাৰে ছয় বজাৰ পৰা চাৰে সাত বজালৈ যোৰহাটত জৰুৰীকালীন প্ৰস্তুতিমূলক আখৰা অনুশীলন অনুষ্ঠিত হ'ব। জৰুৰীকালীন পৰিস্থিতিত বিভিন্ন চৰকাৰী বিভাগৰ কাৰ্যদক্ষতা পৰীক্ষা কৰা আৰু নাগৰিকসকলক সজাগ কৰাই হৈছে এই অনুশীলনৰ মূল উদ্দেশ্যে।

০০০০০

সমাপ্ত